# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 06-08-2024
**Time :** 19.10 hrs

## *Assamese Evening Bulletin*

## HEADLINES

১। ভাৰতে বাংলাদেশৰ অশান্ত পৰিস্থিতিৰ মাজতে কূটনৈতিক মিছনৰ জৰিয়তে দেশখনত থকা ভাৰতীয় নাগৰিকসকলৰ সৈতে অহৰহ সম্পৰ্ক ৰক্ষা কৰি আহিছে।

২। লোকসভাত বিত্ত বিধেয়ক ২০২৪ সন্দৰ্ভত আলোচনা আৰম্ভ হৈছে।

৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰধানমন্ত্ৰী জন ধন একাউণ্ট আৰু বুনিয়াদি ছেভিং বেংক একাউণ্টৰ বাবে ন্যূনতম জমাৰাশিৰ আৱশ্যকতা নাই বুলি স্পষ্ট কৰি দিছে।

৪। চৰকাৰে জনাইছে যে যোৱা ১০ বছৰত ১০৬ টা জলপথক ৰাষ্ট্ৰীয় জলপথ হিচাপে ঘোষণা কৰা হৈছে। ***আৰু***

৫। ভাৰতৰ ৰিনেশ ফোগতে পেৰিছ অলিম্পিকৰ মহিলাৰ মল্লযুদ্ধৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰিষ্টাইল শিতানৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০

ভাৰতে বাংলাদেশৰ অশান্ত পৰিস্থিতিৰ মাজতে কূটনৈতিক মিছনৰ জৰিয়তে দেশখনত থকা ভাৰতীয় নাগৰিকসকলৰ সৈতে অহৰহ সম্পৰ্ক ৰক্ষা কৰি আহিছে। বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে আজি সংসদৰ উভয় সদনত নিজাববীয়াকৈ বিবৃতি দি কয় যে সম্প্ৰতি ৯ হাজাৰ শিক্ষাৰ্থীসহ প্ৰায় ১৯ হাজাৰ ভাৰতীয় নাগৰিক বাংলাদেশত আছে। তেওঁ কয় যে, ঢাকাত থকা উচ্চ আয়োগৰ পৰামৰ্শমৰ্মে যোৱা মাহত ভালেসংখ্যক বিদ্যাৰ্থী ভাৰতলৈ উভতি আহিছে।

নতুন দিল্লী মহলে দেশখনৰ সংখ্যালঘুৰ স্থিতিৰ ওপৰত নজৰ ৰাখি আছে বুলি ড০ জয়শংকৰে লোকসভা আৰু ৰাজ্যসভাক অৱগত কৰে। তেওঁলোকৰ সুৰক্ষা আৰু কল্যাণ সুনিশ্চিত কৰাৰ বাবে বিভিন্ন গোট আৰু সংস্থাই উদ্যম গ্ৰহণ কৰাৰ বাতৰি পোৱা গৈছে। তেওঁ কয় যে, ভাৰতে এনে ধৰণৰ উদ্যমৰ প্ৰতি আদৰণি জনাই যদিও আইন শৃংখলা পৰিস্থিতি বাহাল নোহোৱালৈকে বিষয়টোক লৈ চিন্তিত হৈ থাকিব। ড০ জয়শংকৰে কয় যে, বৰ্তমানৰ পৰিস্থিতি  লৈ চাই সীমান্তত পহৰাৰত বাহিনীসমূহক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। বিদেশমন্ত্ৰীগৰাকীয়ে কয় যে, বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই সুৰক্ষা সংস্থাসমূহৰ মুৰব্বীসকলৰ সৈতে হোৱা বৈঠকৰ পাছত প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল।  শ্ৰীমতী হাছিনাই ভাৰতলৈ আহিবলৈ অনুমতি বিছাৰিছিল আৰু তেওঁ কালি বিয়লিহে নতুন দিল্লীত উপস্থিত হৈছে বুলি ড০ জয়শংকৰে প্ৰকাশ কৰে। তেওঁ কয় যে, নতুন দিল্লী মহলে যোৱা ২৪ ঘণ্টা ধৰি ঢাকাৰ কৰ্তৃপক্ষসমূহৰ সৈতে নিয়মীয়াভাৱে সম্পৰ্ক ৰক্ষা কৰি আছে। তেওঁ লগতে কয় যে, বাংলাদেশৰ স্থল সেনাধ্যক্ষ জেনেৰেল ৱাকাৰ উজ জমানে কালি ৰাষ্ট্ৰক সম্বোধন কৰে আৰু দায়িত্বভাৰ গ্ৰহণ কৰা তথা এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰাৰ কথা ঘোষণা কৰে।  বাংলাদেশত ভাৰতৰ কূটনৈতিক উপস্থিতি

সন্দৰ্ভত ড০ জয়শংকৰে কয় যে, ঢাকা উচ্চায়োগৰ উপৰি ছট্টগ্ৰাম, ৰাজশ্বাহি, খুল্লা আৰু ছিলেটত সহকাৰী উচ্চায়োগ আছে। তেওঁ কয় যে ভাৰতে বাংলাদেশ চৰকাৰে এই প্ৰতিষ্ঠানসমূহক আৱশ্যকীয় সুৰক্ষা প্ৰদান কৰিব আৰু পৰিস্থিতি সুস্থিৰ হোৱাৰ পাছত ইয়াৰ স্বাভাৱিক কাম-কাজ আৰম্ভ হব বুলি আশা কৰে।

০০০

লোকসভাত বিত্ত বিধেয়ক ২০২৪ সন্দৰ্ভত আলোচনা আৰম্ভ হৈছে। আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ ড০ অমৰ সিঙে এইবাৰৰ কেন্দ্ৰীয় বাজেটে অকল উচ্চ আয়ৰ গোটসমূহকে সকাহ প্ৰদান কৰা বুলি আৰু বাজেটত মধ্য আৰু নিম্ন আয়ৰ লোকৰ প্ৰতি গুৰুত্ব প্ৰদান নকৰা বুলি অভিযোগ তোলে। তেওঁ কয় যে, দেশত কৃষি ক্ষেত্ৰৰ বিকাশ ক্ৰমাৎ হ্ৰাস পাইছে। তেওঁ লগতে কৃষকসকলৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ বিষয় লৈ চৰকাৰক প্ৰশ্ন উত্থাপন কৰে। অন্য এগৰাকী কংগ্ৰেছ সাংসদ দীপেন্দ্ৰ হুদাই কয় যে, দেশত প্ৰত্যক্ষ বিদেশী বিনিয়োগ অবিৰতভাৱে হ্ৰাস পাইছে। সাংসদগৰাকীয়ে পেট্ৰল আৰু ডিজেলৰ ওপৰত আৰোপিত আৱকাৰী শুল্ক হ্ৰাস কৰিবলৈ আৰু জীৱন বীমা তথা চিকিৎসা বীমাক সামগ্ৰী আৰু সেৱাকৰৰ আওতাৰ বাহিৰত ৰাখিবলৈ দাবী জনায়। কেন্দ্ৰীয় চৰকাৰে হাৰিয়ানাত কোনো প্ৰকল্প প্ৰদান কৰা নাই বুলি অভিযোগ উত্থাপন কৰে।

আলোচনাত অংশ লৈ বিজেপিৰ নিশিকান্ত ডুবেই কয় যে, কেন্দ্ৰীয় বাজেটত এঞ্জেল কৰৰ বিলুপ্তি সাধনৰ বাবে দিয়া প্ৰস্তাৱে ষ্টাৰ্ট আপসমূহৰ প্ৰসাৰত সহায় কৰিব আৰু দেশত যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সম্ভাৱনা বৃদ্ধি পাব। তেওঁ লগতে অগ্নিবীৰ আঁচনিৰ সমালোচনা কৰাৰ বিষয় লৈ বিৰোধী পক্ষক প্ৰশ্ন উত্থাপন কৰে। কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ অভিযোগ লৈ বিৰোধী পক্ষক সমালোচনা কৰি শ্ৰীডুবেই কয় যে, কেন্দ্ৰীয় তদন্ত সংস্থা চিবিআই আৰু বিধি বলবৎকাৰী সংস্থা ই ডিক দুৰ্ঘটনাৰ গোচৰসমূহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পূৰ্ণ স্বাধীনতা প্ৰদান কৰা হৈছে বুলি প্ৰকাশ কৰে।

তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰই কয় যে, কেন্দ্ৰীয় বাজেটত মধ্যবিত্ত আৰু দুখীয়া শ্ৰেণীৰ বাবে কোনো ব্যৱস্থা নাই। তেওঁ কয় যে, পৰোক্ষ কৰ পশ্চাদগামী কিয়নো এনে ব্যৱস্থাত দুখীয়াৰ পৰা কোটিপতিলৈ সকলোৱে সমান কৰ আদায় দিবলগীয়া হয়। প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ মাজত সমতা থকা উচিত বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ চুপ্ৰিয়া ছুলেই আলোচনাত ভাগ লৈ জীৱন বীমা আৰু চিকিৎসা বীমাৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱাকৰ প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়।

০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰধানমন্ত্ৰী জন ধন একাউণ্ট আৰু বুনিয়াদি ছেভিং বেংক একাউণ্টৰ বাবে ন্যূনতম জমাৰাশিৰ আৱশ্যকতা নাই বুলি স্পষ্ট কৰি দিছে। ৰাজ্যসভাত প্ৰশ্নকালৰ সময়ত ন্যূনতম জমাৰাশি নথকাৰ বাবে একাউণ্ট ধাৰকসকলৰ পৰা বিভিন্ন বেংকে মাচুল আদায় কৰা সন্দৰ্ভত সোধা এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰীয়ে কৈছে যে, চৰকাৰে বিত্তীয় প্ৰৱঞ্চনাৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে। তেওঁ কয় যে, বিত্তীয় প্ৰৱঞ্চনা নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে বিভিন্ন বেংক আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০

চৰকাৰে জনাইছে যে যোৱা ১০ বছৰত ১০৬ টা জলপথ ৰাষ্ট্ৰীয় জলপথ হিচাপে ঘোষণা কৰা হৈছে। ৰাজ্যসভাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে,

যোৱা ১০ বছৰত জলপথৰ জৰিয়তে কাৰ্গো পৰিবহন ৬ গুণ বৃদ্ধি পাইছে। ২০১৩-১৪ বৰ্ষত ১ কোটি ৮০ লাখ মেট্ৰিক টনতকৈ অধিক সামগ্ৰী জলপথৰ জৰিয়তে পৰিবহন কৰা হৈছে। তেওঁ লগতে কয় যে ২০২৩-২৪ বৰ্ষত এই ক্ষমতা ১৩৩ মিলিয়ন মেট্ৰিকটনলৈ বৃদ্ধি হৈছে। জলপথ পৰিবহনৰ আটাইতকৈ সহজ মাধ্যম বুলিও শ্ৰীসোণোৱালে কয়।

০০০

চৰকাৰে কৈছে যে দেশৰ কোনো মুখ্য বন্দৰ ব্যক্তিগতকৰণ কৰা হোৱা নাই আৰু ভূমি তথা জলপৃষ্ঠৰ মালিকীস্বত্ত চৰকাৰৰ হাতত আছে। বন্দৰ পৰিচালনা আৰু জাহাজ পৰিচালনাক লৈ ৰাজ্যসভাত এটা লিখিত উত্তৰত বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে প্ৰকল্প আৰু টাৰ্মিনেলৰ বাবে ৰাজহুৱা ব্যক্তিগত অংশিদাৰিত্ব ভিত্তিত মুখ্য বন্দৰসমূহত ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণৰ অনুমতি দিয়া হৈছে। শ্ৰীসোণোৱালে লগতে জনাই যে, ১২ টা মুখ্য বন্দৰ কেন্দ্ৰীয় চৰকাৰৰ অধীনত আছে আৰু ২১৭ টা সাধাৰণ বন্দৰ ৰাজ্যিক সামুদ্ৰিক বোৰ্ডৰ অধীনত আছে।

০০০০

আকাশবাণীৰ বাতৰি বিভাগে অহৰহ সকলো শ্ৰেণীৰ শ্ৰোতাক পোনপটীয়া, সত্য, শুদ্ধ আৰু নিৰপেক্ষ ৰূপত বাতৰি দি আহিছে। সময় আৰু পৰিস্থিতিৰ প্ৰত্যাহ্বানকো নেওচি আকাশবাণী বাতৰি বিভাগৰ কৰ্মীসকলে শ্ৰোতাসকলৰ বাবে বাতৰি প্ৰচাৰ অব্যাহত ৰাখিছে। আকাশবাণীৰ সঞ্চালকপ্ৰধান মৌচুমী চক্ৰৱৰ্তীয়ে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰ ভ্ৰমণ কৰাৰ সময়ত এই মন্তব্য কৰে। তেওঁ কয় যে আকাশবাণী গুৱাহাটীয়েও বিভিন্ন প্ৰতিকূল পৰিস্থিতিকো নেওচি শ্ৰোতাক নিৰপেক্ষ ৰূপত বাতৰি দিয়াৰ ধাৰা অব্যাহত ৰাখিছে। শ্ৰী মতী চক্ৰৱৰ্তীয়ে আজি বিয়লি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ নৱৰূপত সজাই তোলা কক্ষ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই অনুষ্ঠানত পি আই বিৰ উত্তৰ-পূব মণ্ডলৰ সঞ্চালকপ্ৰধান কে সতীশ নাম্বুড়িৰিপাড আৰু পি আই বি গুৱাহাটীৰ অতিৰিক্ত সঞ্চালকপ্ৰধান জেন নেমছু, আকাশবাণীৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰ, আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক মুৰববী ৰবিন চন্দ্ৰ বড়ো প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কক্ষ উদ্বোধন কৰি সঞ্চালকপ্ৰধানগৰাকীয়ে আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ সদস্যসকলক এটা পৰিয়ালৰ দৰে বুলি অভিহিত কৰি অভিনন্দন জ্ঞাপন কৰে। ইয়াৰ আগেয়ে তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰ আৰু প্ৰচাৰ ভাৰতীৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত কেন্দ্ৰটোৰ অধীনত চলি থকা বিভিন্ন কাম-কাজ সম্পৰ্কে তেওঁ বিতংভাৱে বুজ লয়। ইয়াৰ পাছতে শ্ৰীমতী চক্ৰৱৰ্তীৰ সন্মানাৰ্থে আকাশবাণী গুৱাহাটীয়ে আয়োজন কৰা কেন্দ্ৰটোৰ এ গ্ৰেড শিল্পী মনোজ বৰুৱা আৰু কৌশিক কোঁৱৰৰ ভায়'লিন আৰু তবলা বাদন কাৰ্যসূচী তেওঁ উপভোগ কৰে। উল্লেখযোগ্য যে আকাশবাণীৰ সঞ্চালক প্ৰধান হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰী চক্ৰৱৰ্তীৰ এয়া আছিল প্ৰথম অসম ভ্ৰমণ।

০০০

লণ্ডনত থকা ভাৰতীয় উচ্চায়োগে ব্ৰিটেইনৰ অশান্ত পৰিস্থিতিলৈ  চাই ভাৰতীয় নাগৰিকসকলক দেশখনৰ ভ্ৰমণৰ সময়ত সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাই পৰামৰ্শ জাৰি কৰিছে। পৰামৰ্শৱলীত ভাৰতৰ পৰা যোৱা পৰ্যটকসকলক স্থানীয় সুৰক্ষা সংস্থাসমূহে জাৰি কৰা পৰামৰ্শ আৰু স্থানীয় বাতৰি অনুসৰণ কৰিবলৈ কোৱা হৈছে।

তেওঁলোকক লগতে প্ৰতিবাদ অব্যাহত থকা এলেকাসমূহ এৰাই চলিবলৈ কোৱা হৈছে। লণ্ডনত থকা ভাৰতীয় উচ্চায়োগে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

০০০

মেক ইন ইণ্ডিয়া উদ্যমৰ অধীনত বিমানাকাশ আৰু প্ৰতিৰক্ষা, মটৰ গাড়ী আৰু যান বাহনৰ যন্ত্ৰাংশ, জৈৱ প্ৰযুক্তি, বস্ত্ৰ আৰু সাজ-পাৰ, পৰ্যটন আৰু আতিথ্য, শিক্ষা সেৱাসহ ২৭ নিৰ্মাণ আৰু সেৱাখণ্ড উপকৃত হৈছে। লোকসভাত আজি এটা লিখিত উত্তৰত বাণিজ্য আৰু উদোগত ৰাজ্যমন্ত্ৰী জীতিন প্ৰসাদে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ২০১৪ চনৰ ২৫ চেপ্তেম্বৰত বিনিয়োগ আৰু উদ্ভাৱনৰ প্ৰসাৰ, শ্ৰেষ্ঠ বুনিয়াদি পৰিকাঠামোৰ নিৰ্মাণ আৰু ভাৰতবৰ্ষক নিৰ্মাণ ডিজাইন আৰু উদ্ভাৱনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে মেক ইন ইণ্ডিয়া অভিযান আৰম্ভ কৰা হৈছিল।

০০০

ভাৰতৰ ৱিনেশ ফোগতে আজি ইউক্ৰেইনৰ অ'কছানা লিভাচক ৭-৫ ফলাফলত পৰাস্ত কৰি পেৰিছ অলিম্পিকৰ মহিলাৰ মল্লযুদ্ধৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰিষ্টাইল শিতানৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে। ৱিনেশ ভাৰতীয় সময় অনুসৰি আজি নিশা ১০ বাজি ২৫ মিনিটত হবলগীয়া ছেমি ফাইনেলত কিউবাৰ য়ুজনেলিছ গুজমান লোপেজ অথবা লিথুয়েনিয়াৰ গাবিজা দাইলেটৰ সন্মুখীন হ'ব। ইপিনে, নিৰজ চোপ্ৰাই পুৰুষৰ জেভলীনত যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত ৮৯ দশমিক ৩-৪ মিটাৰ দূৰত্বলৈ জেভলীন নিক্ষেপ কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। অৱশ্যে দেশৰ আন এগৰাকী খেলুৱৈ কিশোৰ জেনাই ফাইনেলত স্থান লাভ কৰিবলৈ ব্যৰ্থ হৈছে। খেলুৱৈগৰাকীয়ে জেভলীনৰ গ্ৰুপ এৰ যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত পঞ্চদশ স্থান দখল কৰে। টেবল টেনিছত ভাৰতৰ পুৰুষ দলটো চীনৰ হাতত ৩-০ ফলাফলত পৰাজিত হৈ প্ৰতিযোগিতাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলৰ পৰা বাহিৰ হৈছে। ভাৰতীয় পুৰুষ হকী দলটো জাৰ্মানীৰ বিৰুদ্ধে ছেমি ফাইনেলত অৱতীৰ্ণ হোৱা হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১০ বজাত আৰম্ভ হ'ব।

০০০

সমাপ্ত